# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 27-08-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
- - - - - - - - - - - - - - - -

১। অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ দ্বিতীয় দিনা বিৰোধীৰ সদন স্থগিত প্ৰস্তাৱত হস্তক্ষেপ কৰি হত্যা, ধৰ্ষণ সামাজিক অপৰাধ বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। ৰাজ্যত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ৬৬ লাখ ৮৬ হাজাৰৰো অধিক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি খাদ্য, ৰাজহুৱা বিতৰণ আৰু বিতৰণ পৰিক্ৰমা মন্ত্ৰী ৰণজিত কুমাৰ দাসৰ সদনত প্ৰকাশ।

৩। বিভিন্ন দক্ষতা বিকাশ আঁচনিৰ জৰিয়তে ৮৯ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে কৰ্মসংস্থাপনৰ সুযোগ লাভ কৰিছে বুলি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ সদনত মন্তব্য।

৪। চিকিৎসা বৃত্তিত জড়িত লোকৰ নিৰাপত্তা, সুৰক্ষা আৰু কাম কৰাৰ অনুকূল পৰিৱেশ সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে গঠিত ৰাষ্ট্ৰীয় কাৰ্য বাহিনীৰ আজি প্ৰথমখন বৈঠক। **আৰু**

৫। ইউ এ ইত হ'বলগীয়া মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ঘোষণা কৰা ভাৰতীয় দলত ৰিজাৰ্ভ খেলুৱৈ হিচাপে অসমৰ উমা ছেত্ৰীৰ স্থান লাভ।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হত্যা, ধৰ্ষণ আদিক সামাজিক অপৰাধ বুলি অভিহিত কৰিছে। অসম বিধান সভাৰ শৰৎকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা নাৰী নিৰ্যাতন, আলফাৰ দ্বাৰা বোমা স্থাপন আৰু ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি ব্যৰ্থ হোৱা বুলি অভিযোগ তুলি বিৰোধী পক্ষৰ কেইবাগৰাকীও বিধায়কে উত্থাপন কৰা সভা স্থগিত প্ৰস্তাৱত হস্তক্ষেপ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ ৰাজ্যৰ জনগাঁথনি পৰিৱৰ্তনৰ তথ্য দিব বুলিও ঘোষণা কৰে। কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি এম আৰু বিধায়ক অখিল গগৈয়ে সুকীয়া সুকীয়াকৈ সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যৰ এখন জিলাৰ পৰা আন জিলালৈ যাব পৰাটো সাংবিধানিক অধিকাৰ হ'লেও সামাজিক কিছু প্ৰক্ৰিয়াও থাকে। নামনিৰ মানুহ উজনিলৈ যাবই বুলি কোৱাটো এটা আগ্ৰাসী মনোভাৱ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ৰাজ্যৰ আইন শৃংখলা পৰিস্থিতি বিঘ্নিত হোৱাৰ অভিযোগ তুলি চি পি এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে প্ৰথমটো সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। এ আই ইউ ডি এফৰ বিধায়ক ড০ ৰকিবুল ইছলামে ৰাজ্যৰ আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। উজনি অসমৰ জিলা বিশেষত বসবাস কৰা এটা বিশেষ সম্প্ৰদায়ৰ লোকক সেই স্থান ত্যাগ কৰিবলৈ ৩০টা সংগঠনে সময়সীমা বান্ধি দিয়া কাৰ্যত বিধায়কজনে উদ্বেগ প্ৰকাশ কৰি সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াও আইন শৃংখলাৰ চূড়ান্ত অৱনতিৰ অভিযোগ কৰি সভা স্থগিত উত্থাপন কৰে। একেদৰে বিধায়ক অখিল গগৈও আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটা বুলি অভিযোগ কৰি মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰীৰ পদত্যাগ দাবী কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে চাৰিজন বিধায়কে উত্থাপন কৰা সভা স্থগিত প্ৰস্তাৱৰ উত্তৰ দিবলৈ গৈ বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰীৰ বক্তব্যৰ বিৰোধিতা কৰি বিৰোধী পক্ষই অধ্যক্ষৰ আসনৰ সন্মুখত হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। এনে পৰিস্থিতিত অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ৰাখে।

ইপিনে, খাদ্য, ৰাজহুৱা বিতৰণ আৰু বিতৰণ পৰিক্ৰমা মন্ত্ৰী ৰণজিত কুমাৰ দাসে ৰাজ্যখনত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ২ কোটি ৩১ লাখ ৯৭ হাজাৰৰো অধিক হিতাধিকাৰীক সামৰি ৬৬ লাখ ৮৬ হাজাৰৰো অধিক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি প্ৰকাশ কৰে। বিধানসভাৰ প্ৰশ্নোত্তৰকালত সোধা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে যদিহে কোনো যোগ্য লোক বা পৰিয়াল ৰেচন কাৰ্ড লাভৰ পৰা বঞ্চিত হৈ আছে, তেন্তে এই ব্যক্তিসকলক বাছনি কৰি পৰ্যায়ক্ৰমে ৰেচন কাৰ্ড প্ৰদান বা কাৰ্ডত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

আনহাতে আজি হুলস্থূলীয়া পৰিৱেশৰ মাজত বিধায়ক অখিল গগৈক সদনৰ পৰা তিনিবাৰকৈ বহিষ্কাৰ কৰা হয়।

০০০০০

দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা বিভিন্ন দক্ষতা বিকাশ আঁচনিৰ জৰিয়তে কৰ্মসংস্থাপন লাভ কৰা পৰিসংখ্যা সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰে। বিধায়ক নুৰুল হুদাৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মল্লবৰুৱাই কয় যে, অসম দক্ষতা বিকাশ অভিযানে ২০১৬ চনৰ পৰা ২০২৪ চনৰ মাৰ্চ মাহলৈ বিভিন্ন দক্ষতা বিকাশ আঁচনিৰ জৰিয়তে এক লাখ ৫৮ হাজাৰ ৮০৪ জন যুৱক-যুৱতীক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰ ভিতৰত ৮৯ হাজাৰ ৪০২ জনে সংস্থাপনৰ সুযোগ লাভ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। পঞ্জীয়নভুক্ত নিবনুৱা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে, পঞ্জীকৰণ কৰা নিবনুৱাৰ সংখ্যা প্ৰকৃত বুলি ক'ব নোৱাৰি। বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰি থকা, ব্যক্তিগত খণ্ডত চাকৰি কৰি থকা বা স্বনিয়োজিত লোকসকলেও চৰকাৰী চাকৰিৰ আশাত নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰি থৈ বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে, ২০২৩ চনত অনলাইনযোগে ৯ লাখ ৬৭ হাজাৰ ৮৫৪ গৰাকী যুৱক-যুৱতীয়ে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰিছিল।

০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা **দা আছাম ৰাইট টু পাব্লিক ছাৰ্ভিচেছ (এমেণ্ডমেণ্ট)** অধ্যাদেশ দাখিল কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকাই বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মৰ অধীনত অধ্যাদেশখন দাখিল কৰে।

০০০০০

ৰাজ্যত যোৱা ছমাহত পথ দুৰ্ঘটনা ৪৫ শতাংশ বৃদ্ধি পাইছে। অৱশ্যে, সময়মতে আগবঢ়োৱা চিকিৎসা সাহায্যৰ বাবে দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫ শতাংশ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন সমাৰোহত অংশগ্ৰহণ কৰিব। এই উপলক্ষে গৃহমন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন-জনসাধাৰণকেন্দ্ৰিক সংস্কাৰ সন্দৰ্ভত ড০ আনন্দ স্বৰূপ গুপ্তা স্মাৰক বক্তৃতা প্ৰদান কৰিব। তেওঁ লগতে ২০২৩ আৰু ২০২৪ বৰ্ষৰ বাবে ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা আৰু উত্তম সেৱা পদক প্ৰাপকসকলক সন্মান জনাব। অনুষ্ঠানত

গৃহমন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন সন্দৰ্ভত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ভাৰতীয় আৰক্ষী পত্ৰিকাৰ বিশেষ সংস্কৰণো উন্মোচন কৰিব। আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ই গৱেষণা আৰু উন্নয়নৰ মাধ্যমেৰে আইন-শৃংখলা ব্যৱস্থাৰ উৎকৰ্ষ সাধনৰ বাবে মূল পৰামৰ্শ গোট হিচাপে কাম কৰে। আৰক্ষীৰ বাবে নীতি আৰু প্ৰক্ৰিয়া বিকশাই তোলাই এই প্ৰতিষ্ঠানৰ মূল লক্ষ্য। ইয়াৰ উপৰি প্ৰতিষ্ঠানটোৱে নাগৰিকসকললৈ উন্নত সেৱা আগবঢ়োৱাৰ বাবে সহায়ক প্ৰযুক্তিৰ  অন্বেষণ, আইন নিয়ন্ত্ৰণ ব্যৱস্থাৰ সংস্কাৰ আৰু বিধি বলৱৎকাৰী সংস্থাসমূহৰ সামৰ্থ বৃদ্ধিৰ উপায় সন্দৰ্ভত বিশেষ গুৰুত্ব প্ৰদান কৰে।

ooooo

কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কাইলৈ নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বছৰৰ অনুভৱ বঁটাসমূহ প্ৰদান কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবাৰ ২২টা মন্ত্ৰালয় আৰু বিভাগে প্ৰকাশ কৰা লেখাৰ মাজৰ পৰা পাঁচটা অনুভৱ বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ লগতে ১০টাই বিচাৰকৰ প্ৰমাণপত্ৰ লাভ কৰিছে। উল্লেখযোগ্য যে ২০১৫ চনত পেঞ্চন আৰু পেঞ্চনাৰ কল্যাণ বিভাগে অনুভৱ শীৰ্ষক মঞ্চ মুকলি কৰিছিল। এই মঞ্চ অৱসৰপ্ৰাপ্ত আৰু অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলে তেওঁলোকৰ চাকৰিৰ কালছোৱাত প্ৰদৰ্শন কৰাৰ উল্লেখনীয় সাফল্য প্ৰদৰ্শনৰ বাবে মুকলি কৰা হৈছে। এতিয়ালৈ ৫৪টা অনুভৱ বঁটা প্ৰদান কৰা হৈছে। মন্ত্ৰী ড০ সিঙে লগতে কাইলৈ নতুন দিল্লীত একাদশ সৰ্বভাৰতীয় পেঞ্চন আদালত আৰু ৫৫ সংখ্যক প্ৰাক-অসৰৰকালীন পৰামৰ্শদান কৰ্মশালাত অধ্যক্ষতা কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে সু-প্ৰশাসনৰ অংশ হিচাপে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

ooooo

বিজেপিয়ে অহা ২ ছেপ্তেম্বৰত সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিব। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ সাধাৰণ সম্পাদক বিনোদ তাৱড়ে কয় যে, বৰ্তমানৰ সকলো সদস্যই নতুনকৈ নাম অন্তৰ্ভুক্ত কৰিব লাগিব। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ ছেপ্তেম্বৰত দলৰ সভাপতি জে পি নাড্ডাৰ পৰা সদস্য পদ লাভ কৰিব আৰু ইয়াৰ লগে লগে সমগ্ৰ দেশত সদস্যভৰ্তি অভিযান আৰম্ভ হ'ব। শ্ৰীতাৱড়ে কয় যে, বিজেপিৰ সংবিধান অনুসৰি, প্ৰতি ৫-৬ বছৰৰ মূৰে মূৰে সদস্য ভৰ্তি অভিযান অনুষ্ঠিত কৰা হয়। ২০ ছেপ্তেম্বৰত ৰাজ্যিক পৰ্যায়ত এই অভিযান আৰম্ভ হ'ব। এই অভিযান সুকলমে পৰিচালনাৰ বাবে অসম ৰাজ্যিক বিজেপিয়ে ৩৯ খন সাংসগঠনিক জিলাত কাইলৈ পৰ্যন্ত প্ৰশিক্ষণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, ২৫ ছেপ্তেম্বৰত সদস্য ভৰ্তি অভিযানৰ প্ৰথম পৰ্যায়ৰ সামৰণি পৰিব।

ooooo

চিকিৎসা বৃত্তিত জড়িত লোকসকলৰ নিৰাপত্তা, সুৰক্ষা আৰু কাম কৰাৰ পৰিৱেশ সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে উচ্চতম ন্যায়ালয়ৰ বাবে গঠন কৰা ৰাষ্ট্ৰীয় কাৰ্য বাহিনী অৰ্থাৎ এন টি এফৰ প্ৰথমখন বৈঠক আজি কেবিনেট সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। এই বৈঠকত কেন্দ্ৰীয় গৃহ সচিব আৰু স্বাস্থ্য সচিবকে ধৰি আটাইকেইগৰাকী সদস্য উপস্থিত থাকে। এই বৈঠকত বিভিন্ন বিষয় সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে সদস্যসকলে নিজৰ পৰামৰ্শ দাঙি ধৰে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা জনসাধাৰণ আৰু অন্য অংশীদাৰসকলৰ পৰামৰ্শ বিচাৰি নিজৰ ৱেবচাইটত "Suggestions to NTF" শীৰ্ষক প'ৰ্টেল মুকলি কৰিছে। মন্ত্ৰালয়ে লগতে সংশ্লিষ্ট ৰাজ্যসমূহৰ চিকিৎসা সংস্থাসমূহত উপলব্ধ সুৰক্ষা ব্যৱস্থা সন্দৰ্ভত তথ্য দাখিল কৰিবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে এই পোৰ্টেলত লাভ কৰা তথ্যসমূহ ৰাষ্ট্ৰীয় টাস্ক ফোৰ্চৰ সদস্যসকলৰ বিবেচনাৰ বাবে প্ৰদান কৰিব। ইপিনে এন টি এফৰ সদস্য সকলে প্ৰকাশ

কৰা মতে তেওঁলোকক বিভিন্ন ক্ষেত্ৰৰ লোকে প্ৰত্যক্ষভাৱে সাক্ষাৎ কাৰাৰ উপৰি প্ৰায় ৪০০টা পৰামৰ্শ প্ৰদান কৰিছে। এই সন্দৰ্ভত আলোচনাৰ বাবে কাইলৈও আন এখন বৈঠক ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহ সচিব আৰু স্বাস্থ্য সচিবে যুটীয়াভাৱে অধ্যক্ষতা কৰিবলগীয়া এই বৈঠকত ৰাজ্যসমূহৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলে অংশ ল'ব।

০০০০০

বৰপেটা সত্ৰত আজি পৰম্পৰাগত ৰীতি নীতিৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পিছৰ দিনটো নন্দোৎসৱ হিচাপে পালন কৰা হৈছে। এই উপলক্ষে সত্ৰৰ চোতালত শিশুসকলে তেল মিহলি বোকা খেল খেলি আনন্দ প্ৰকাশ কৰে। আনহাতে সত্ৰৰ ৰীতি অনুসৰি পুৱাৰ গীত, ভটিমা গাই, বন্তি প্ৰজ্বলন, নাম প্ৰসংগত চৰণ, যুগল, পটল আৰু শিশু লীলাৰ ঘোষা গোৱা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি কীৰ্তন ঘৰৰ ভিতৰত শ্ৰীৰাম আতা বিৰচিত নন্দোৎসৱ নাটখনৰ নৃত্য শিশুসকলে পৰিৱেশন কৰে। ইয়াৰ পাছতে দৈবজ্ঞই শ্ৰী কৃষ্ণৰ জন্মৰ গণনা প্ৰতিকীভাৱে সম্পন্ন কৰে। গায়ন-বায়ন প্ৰমুখ্যে ভকতসকলে নাম পৰিৱেশন কৰি গুৰু আসন প্ৰদক্ষিণ কৰে। এই প্ৰক্ৰিয়া মঠৰ চোতালত সামৰণি পৰাৰ লগে লগে নন্দোৎসৱৰ সামৰণি পৰে।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত বৰপেটা মহাবিদ্যালয়ত আজিৰ পৰা গ্ৰন্থমেলা অনুষ্ঠিত হয়। বৰপেটা মহাবিদ্যালয়ৰ প্ৰকাশ সাহিত্য গোটৰ সহযোগত তিনিদিনীয়াকৈ আয়োজিত গ্ৰন্থমেলাখন শিক্ষাবিদ তথা বৰপেটা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বাৰিন্দ্ৰ ভূঞাই উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা, সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰ, লেখিকা মনালিছা শইকীয়া উপস্থিত থাকে। উল্লেখযোগ্য যে অসম প্ৰকাশন পৰিষদে ৰাজ্যৰ মহাবিদ্যালয়সমূহত গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ প্ৰথমখন গ্ৰন্থমেলা বৰপেটা মহাবিদ্যালয়ত অনুষ্ঠিত হৈছে।

০০০০০

ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত বৰেণ্য শিল্পীগৰাকীৰ ৯৮ সংখ্যক জন্মদিনটোত অহা ৮ আৰু ৯ ছেপ্তেম্বৰত সমন্বয় দিৱস হিচাপে উদযাপন কৰিব। আজি গুৱাহাটী প্ৰেছ ক্লাবত এখন সংবাদ মেলত ন্যাসে এই বিষয়ে প্ৰকাশ কৰে। দিৱসৰ সৈতে সংগতি ৰাখি ১ ছেপ্তেম্বৰত কলাক্ষেত্ৰৰ ড০ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে ন্যাসে প্ৰতি বছৰে দিৱসৰ কাৰ্যসূচীত প্ৰদান কৰা ভূপেন হাজৰিকা সমন্বয় বঁটা বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড০ লক্ষ্যহীৰা দাসক আৰু ভূপেন হাজৰিকা হিতৈষী বঁটা বিশিষ্ট লেখক ৰতিমোহন নাথক প্ৰদান কৰা হ'ব।

০০০০০

যোৰহাট জিলাত আইন শৃংখলা বৰ্তাই ৰখাৰ লগতে জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে জিলা আয়ুক্তই নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশ অনুসৰি কেইবাগৰাকীও অতিৰিক্ত জিলা দণ্ডাধীশক লৈ টাস্ক ফোৰ্চ গঠন কৰা হৈছে। জনসাধাৰণে নিৰাপত্তাজনিত সমস্যাৰ সন্মুখীন হ'লে সংশ্লিষ্ট এলেকাৰ দায়িত্বত থকা অতিৰিক্ত জিলা দণ্ডাধীশসকলৰ সৈতে যোগাযোগ কৰিব পাৰিব। তদুপৰি থানা এলেকাসমূহত আইন শৃংখলা জনিত পৰিস্থিতিৰ উদ্ভৱ হ'লে অতিৰিক্ত দণ্ডাধীশৰ লগতে কাৰ্যবাহী দণ্ডাধীশ আৰু থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক যোগাযোগ কৰিবলৈ কোৱা হৈছে। এই আদেশ জিলাখনত তাৎক্ষণিকভাৱে বলৱৎ হৈছে।

০০০০০

তিনিচুকীয়া বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থাৰ পঞ্চদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সমাজৰ প্ৰতি জ্যেষ্ঠ নাগৰিকৰ কৰ্তব্য শীৰ্ষক এখন আলোচনা সভা অনুষ্ঠিত হয়। তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাকক্ষত অনুষ্ঠিত এই আলোচনা সভাত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, চিন্তাবিদ ড০ মদন শৰ্মাই বক্তব্য দাঙি ধৰে। সংস্থাৰ সভাপতি যোগেশ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত সভাত আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তৃতা প্ৰদান কৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱাৰ ভাগত সংস্থাৰ পতাকা উত্তোলনৰ লগতে স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হয়।

০০০০০

মাজুলীৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি ধান ক্ৰয় আঁচনি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত অতিৰিক্ত জিলা আয়ুক্ত সৰোজ সোণোৱাল, অতিৰিক্ত আয়ুক্ত সীমান্ত বুঢ়াগোহাঁই, জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাৰ প্ৰমুখ্যে কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু কেইবাজনো আদৰ্শ কৃষক উপস্থিত থাকে।

০০০০০

কাৰ্বি আংলং জিলাৰ আয়ুক্ত আৰু জিলা আৰক্ষী অধীক্ষকৰ নেতৃত্বত এটা দলে আজি জিলাখনৰ মানজা বজাৰ পৰিদৰ্শন কৰে। তেওঁলোকে বজাৰখনৰ ব্যৱসায়ী তথা নগৰ সমিতিৰ নেতৃবৃন্দৰ সৈতে এখন বৈঠকত মিলিত হয়। তেওঁলোকে অঞ্চলটোত সকলো সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু শান্তিৰ পৰিৱেশ বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

০০০০০

মৰিগাঁও জিলাৰ সংৰক্ষিত আৰক্ষীৰ ড্ৰিল শ্বেডত আজি ৰামকৃষ্ণ মিছন বেলুৰমঠৰ জৰিয়তে যক্ষ্মা ৰোগীক খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্তৰ লগতে প্ৰশাসনৰ কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে। ২০২৫ চনৰ ভিতৰত যক্ষ্মা মুক্ত ভাৰত গঢ়ি তোলাৰ লক্ষ্য বাস্তবায়িত কৰাৰ অংশ হিচাপে এই কাৰ্যসূচী লোৱা হয়। অনুষ্ঠানত দিয়া ভাষণত জিলাখনৰ আয়ুক্তই যক্ষ্মা প্ৰতিৰোধৰ ক্ষেত্ৰত সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাত আলোকপাত কৰে। তেওঁ লগতে এই ৰোগীসকলৰ পুষ্টিৰ বাবে সহায় আগবঢ়োৱাৰ ওপৰতো গুৰুত্ব দিয়ে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি কেইবাটাও দল-সংগঠনে এ পি ডি চি এলৰ প্ৰিপেইড স্মাৰ্ট মিটাৰ সংস্থাপনৰ পাছত বিদ্যুৎ মাচুল বৃদ্ধি হোৱা বুলি প্ৰতিবাদ সাবস্ত কৰে। কংগ্ৰেছ, আম আদমী পাৰ্টীৰ উপৰি সদৌ অসম ছাত্ৰ সন্থাৰ কৰ্মীসকলেও বিভিন্ন জিলাত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে।

সদৌ নগাঁও জিলা ছাত্ৰ সন্থাই আজি চহৰখনৰ মাজেৰে এটা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। একেদৰে তামুলপুৰতো জিলা ছাত্ৰসন্থাই স্মাৰ্ট মিটাৰত বিদ্যুৎ মাচুল বৃদ্ধি তথা অনিয়মিত বিদ্যুৎ যোগানৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ দলৰ উদ্যোগত বৰপেটা জিলাৰ লগতে অন্যান্য কেইবাটাও অঞ্চলত এই বিষয়টোৰ বিৰুদ্ধে প্ৰতিবাদ সাবস্ত কৰা হয়। বৰপেটা জিলাৰ চেঙা বিদুৎ বিভাগৰ সংমণ্ডলৰ কাৰ্যালয়ৰ সন্মুখত আজি বহুলোকে প্ৰতিবাদ সাবস্ত কৰেয়। একেদৰে অসম প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশ মৰ্মে শিৱসাগৰ জিলাৰ নাজিৰা আৰু শিমলুগুৰিত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিয়েও আজি প্ৰতিবাদ সাবস্ত কৰে।

০০০০০

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইত হ'বলগীয়া মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ঘোষণা কৰা ভাৰতীয় দলত ৰিজাৰ্ভ খেলুৱৈ হিচাপে অসমৰ উমা ছেত্ৰীয়ে স্থান লাভ কৰিছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ঘোষণা কৰা ১৫ জনীয়া দলটোৰ অধিনায়ক হিচাপে হৰমনপ্ৰীত কৌৰ আৰু স্মৃতি মান্ধানাক উপ-অধিনায়ক হিচাপে দায়িত্ব দিয়া হৈছে। অহা ৩ অক্টোবৰৰ পৰা হ'বলগীয়া প্ৰতিযোগিতাখনত ১০টা দলে অংশগ্ৰহণ কৰিব। ভাৰতে অহা ৬ অক্টোবৰত ডুবাইত পাকিস্তানৰ বিৰুদ্ধে হ'বলগীয়া খেলখনেৰে অভিযান আৰম্ভ কৰিব।

ooooo

অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনৰ লগত সংগতি ৰাখি অহা ৩ ছেপ্তেম্বৰত ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হ'ব। এইবাৰৰ ৪১ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱসৰ গুৱাহাটীত হ'বলগীয়া কেন্দ্ৰীয় কাৰ্যসূচীত অলিম্পিক পদকজয়ী লাভলীনা বৰগোহাঁই আৰু অলিম্পিয়ান হকী খেলুৱৈ অনুৰাধা দেৱী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটী অহা ৩ আৰু ৪ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হ'ব। ইয়াৰে ৩ ছেপ্তেম্বৰত লাভলীনা বৰগোহাঁই আৰু ৪ ছেপ্তেম্বৰত অনুৰাধা দেৱীয়ে কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। অভিৰুচি ক্ৰীড়া দিৱস উপলক্ষে সমূহীয়া দৌৰৰ লগতে ক্ৰীড়া কুইজ, নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত